## জিড্ডু কৃষ্ণমূৰ্ত্তিৰ আত্মা বা ব্যক্তিসত্তাৰ ধাৰণা :—

জিড্ডু কৃষ্ণমূৰ্ত্তিৰ দৰ্শনত আত্মা কোনো স্থায়ী দ্ৰব্য নহয়। আত্মাক অনুসন্ধানৰ দ্বাৰাও পাব নোৱাৰি। আত্মাক কেৱল চিন্তাৰ অভিব্যক্তি জনাটো সম্ভৱ। অৰ্থাৎ সমগ্ৰ চিন্তাৰ প্ৰক্ৰিয়াটো আত্মাৰ অস্তিত্বৰ বাবে সম্ভৱ হয়। গতিকে কৃষ্ণমূৰ্ত্তিৰ মতে আত্মা দুৰ্জ্ঞেয়ই — যাৰ দ্বাৰা জানিব পাৰি আৰু যাক জানিব পাৰি। অৰ্থাৎ আত্মা জ্ঞাতা আৰু জ্ঞেয় উভয়ে।

আত্মাৰ ধাৰণা সম্পৰ্কে আলোচনা প্ৰসংগত কৃষ্ণমূৰ্ত্তিয়ে উল্লেখ কৰিছে যে সকলো ব্যক্তিৰ জীৱনত কম বেছি পৰিমাণে সমস্যা সমূহৰ উপস্থিতি দেখিবলৈ পোৱা যায়। তেওঁৰ মতে এই সমস্যা সমূহৰ ভিতৰত যিবোৰ সমস্যা আত্মাৰ একেবাৰে নিকটতম, আমি সেইবোৰ সমস্যাহে সমাধান কৰা উচিত। সমস্যা সমূহ সমাধান কৰিবলৈ আমি সমস্যাৰ পৰা পলায়ন নকৰি তাৰ সন্মুখীন হোৱা উচিত। কৃষ্ণমূৰ্ত্তিৰ মতে সকলো ব্যক্তিৰ বাবে সমস্যা সমূহ স্বকীয়া। আৰু এই সমস্যা বোৰেই হৈছে ব্যক্তিৰ দুখৰ কাৰণ। কৃষ্ণমূৰ্ত্তিৰ মতে ব্যক্তিৰ দুখ নিৰ্মূল হয় দুখৰ কাৰণ উপলব্ধিৰ জৰিয়তে। এই দুখ বা সমস্যা সমূহ বুজিবলৈ কাৰণে আত্মিক জ্ঞান (self-knowledge) অতিকৈ প্ৰয়োজনীয়।

জিড্ডু কৃষ্ণমূৰ্ত্তিৰ মতে বিষয় আৰু বিষয়ী দুটা পৃথক বস্তু নহয়। অৰ্থাৎ আত্মাৰ চিন্তা প্ৰক্ৰিয়া আত্মাৰ দ্বাৰাই সম্ভৱ। আৰু চিন্তাক জানিব খোজা মন খনেই হৈছে চিন্তা কৰ্তাজনক জানিব বিচৰা গতিকে কোনো ব্যক্তিয়ে নিজক ভালদৰে জানিব যদিহে

তেওঁ নিজৰ চিন্তা কাৰ্য ভাল দৰে জানে। এনে যেতিয়া ব্যক্তিয়ে নিজৰ সমগ্ৰ চিন্তাৱলীক জানিবলৈ সক্ষম হ'ব তেওঁ নিজৰ আত্মাৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব। এই আত্মিক জ্ঞান, কৃষ্ণমূৰ্তিৰ মতে সকলো জ্ঞানৰ মূল হয়।

কৃষ্ণমূৰ্তিয়ে তেওঁৰ দৰ্শনত এটা কথা স্পষ্ট কৰিছে যে কোনো চিন্তাক জনা আৰু বিচাৰ কৰা প্ৰক্ৰিয়া দুটা পৃথক চিন্তাক বিচাৰ কৰা প্ৰক্ৰিয়া নহয়। ই হৈছে মানুহৰ স্বাভাৱিক প্ৰক্ৰিয়া। ব্যক্তিয়ে যিবোৰ চিন্তা সন্তোষজনক বুলি অনুভৱ নকৰে তেনে চিন্তা সদায় ব্যক্তিয়ে এৰাই চলিব বিচাৰে। আৰু যিবোৰ চিন্তাই তেওঁক অধিক সুখ প্ৰদান কৰিব বুলি ভাবে তেনে চিন্তাত হে তেওঁ জড়িত হৈ থাকিব খোজে। কৃষ্ণমূৰ্তিৰ মতে চিন্তাৰ বিচাৰ মানদণ্ডটো সদায় পৰিৱৰ্তনশীল আছে। প্ৰাসংগিকতাৰ বাবে আমি চিন্তাৰ কোনো অনুসন্ধান নচলাও আৰু পৰিৱৰ্তন পথ যেনে দেখিছো আমি চিন্তাক সেই দৰেই প্ৰত্যক্ষ কৰো। কিন্তু কৃষ্ণমূৰ্তিৰ মতে এই বোৰে আত্মিক জ্ঞান অসম্পূৰ্ণ কৰি তোলে। এজন ব্যক্তিৰ চিন্তা, কৰ্ম, অনুভূতি, ইচ্ছা আদিক পৰিৱৰ্তনশীল বিচাৰ কৰিব নোৱাৰি যেতিয়া নিজৰ চিন্তাৰ বিচাৰ ব্যক্তিয়ে নিজেই কৰিব চেষ্টা কৰে তেতিয়া তেওঁ উপলব্ধি কৰে যে তেওঁ নিজে নিজৰ চিন্তাৰ বিচাৰ কৰিব নোৱাৰে। এই চিন্তাক নিৰ্বাচন কৰা সামৰ্থ্য ব্যক্তিৰ নিজৰ নাই। কাৰণ চিন্তাৰ পৰা পৃথকভাৱে কোনো চিন্তাবিদ থাকিব নোৱাৰে। আৰু চিন্তাবিদ অনুপস্থিতি চিন্তা কাৰ্য নিয়ন্ত্ৰণৰ বাহিৰলৈ ~~ব্যক্তি আৰু ব্যক্তিৰ~~ গুচি যায়। ইয়াৰ পৰা বুজিব পাৰি যে ব্যক্তি আৰু ব্যক্তিৰ চিন্তাৰ মাজত কোনো পাৰ্থক্য নাই।

কৃষ্ণমূৰ্তিৰ মতে যিহেতু ব্যক্তি বিচাৰকৰ অনুস্থিতিত নাই প্ৰতিজন ব্যক্তি ভুল আহৰণ কৰাৰ ইচ্ছাৰপৰাও মুক্ত হৈ থাকিব পাৰে। ব্যক্তিয়ে সাধাৰণতে এনে ভুল আহৰণ কৰিবলৈ চেষ্টা কৰে যি তেওঁক অসুখৰ দুখ আৰু পৰা বিৰত ৰাখিব। দুখ প্ৰদান কৰা বস্তুৰ পৰা আমি আঁতৰি থাকিব খোজোঁ। দুখ এনে এটা অনুভৱ যাৰ হৈতে কোনো ব্যক্তিয়ে মুখামুখি হ'ব নোখোজে। আৰু এই দুখ ত্যাগ কৰাৰ বাবে ব্যক্তি বিভিন্ন বস্তু পছন্দ বা নিৰ্বাচন কৰে কিন্তু আমি সদায় বিচাৰ দৰে ফল প্ৰাপ্ত নকৰিবও পাৰো যাৰ বাবে আমি হীনতিগ্ৰস্ত হওঁ আৰু দুখ প্ৰাপ্ত কৰোঁ। কৃষ্ণমূৰ্তিৰ মতে এই দুখৰ পৰা মুক্তি লাভ সম্ভৱ হ'ব যেতিয়া ব্যক্তিৰ ইচ্ছাৰ অন্ত পৰিব। ইচ্ছাৰ অন্ত মানে দুখৰো অন্ত। যেতিয়া ব্যক্তিয়ে বিচাৰ ~~বিচাৰ~~ নকৰে তেতিয়া তেওঁৰ বাবে সকলো বস্তু সমান যেন পৰিলক্ষিত হ'ব। কোনো বিশেষ বস্তু বিচাৰি যবাশুধি থাই নাথাকিলে আমি ইয়াৰ বাবে দুখো অনুভৱ নকৰো। ফলস্বৰূপে আমাৰ মাজত কেৱল সুখ শুধ প্ৰৱেশ কৰিব।

কৃষ্ণমূৰ্তিৰ মতে দুখ এনে এক ভাৱনা যাৰ অবস্থিতি থাকিব যদিহে আমি দুখক সততাৰপৰা পৃথক বুলি চিনাক্ত কৰো। প্ৰতিটো দুখৰ সৈতে অন্ত পেলাবলৈ আমি বিচাৰ কৰাৰপৰা বিৰত থাকিব লাগিব। আমি যি বাসনা সমূহত লিপ্ত হৈ থাকোঁ সেই সমূহ হৈছে আমাৰ দুখৰ কাৰণ। দুখ উদ্ভৱ হয় ব্যক্তিৰ বাসনাৰ দ্বাৰা। প্ৰতিজন ব্যক্তিয়ে

এই বান্ধনৰ পৰা নিজকে মুক্ত কৰাটো উচিত। যেতিয়া ব্যক্তিয়ে বুজি উঠিব যে প্ৰকৃততে আত্মা বুলি কোনো পৃথক সত্তা নাই তেতিয়া তেওঁ বুজিবলৈ পাৰিব যে প্ৰকৃতত তেওঁ কোন। গতিকে আত্মিক জ্ঞান, বুদ্ধমূৰ্তিৰ মত লাভ কৰাটো সহজ হৈ উঠিব যেতিয়া ব্যক্তিয়ে নিজৰ কামনা বাসনা সম্পূৰ্ণ ত্যাগ কৰিব পাৰিব। আৰু এই ত্যাগৰ ফলত তেওঁ দুখ সমূহৰ অন্ত পাৰিব। দুখ মুক্ত অৱস্থাত ব্যক্তিয়ে নিজৰ কৰ্মৰ জৰিয়তে নিজৰ পৰিচয় বিচাৰি পায়। আৰু এই অৱস্থাই হৈছে ব্যক্তিৰ আধ্যাত্মিক জ্ঞান উপলব্ধিৰ অৱস্থা।